# 3 (Sem–5/CBCS) ASM–HC 1

## 2022

## ASSAMESE

Paper : ASM–HC–5016

( অসমীয়া নাটক আৰু পৰিৱেশনশৈলী )

( Honours )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) বিয়াহ কলাই আৰু কেন্দু কলাই নামৰ ব্যক্তি দুজনৰ নাম অসমৰ কোনবিধ পুৰণি অৰ্ধ-নাটকীয় পৰিৱেশ্য কলাৰ সৈতে জড়িত?

(খ) ওজাপালিৰ লগত সম্পৰ্ক থকা বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্যৰ ধাৰাটিৰ নাম কি?

(গ) অংকীয়া নাটৰ সূত্ৰধাৰ চৰিত্ৰটোৰ সৈতে পুতলা নাচৰ কিহৰ মিল লক্ষ্য কৰা যায়?

(ঘ) অংকীয়া শব্দটো সংস্কৃত অংক শব্দৰ পৰা আহিছে। সংস্কৃত 'নাট্যশাস্ত্ৰ' মতে অংক শব্দৰ অৰ্থ কি?

(ঙ) মাধৱদেৱে ৰচনা কৰা এখন ঝুমুৰাৰ নাম লিখা।

(চ) ১৯৩৫ চনত প্ৰকাশিত অসমীয়া পৌৰাণিক নাটক 'চম্পাৱতী'ৰ নাট্যকাৰজনৰ নাম লিখা।

(ছ) তেজপুৰৰ বান ৰংগমঞ্চ কিমান চনত প্ৰতিষ্ঠিত হৈছিল?

(জ) *Waiting for Godot* নাটকখনৰ নাট্যকাৰ ছেমুৱেল বেকেটৰ আন এখন এবচাৰ্ড নাটকৰ নাম লিখা।

(ঝ) ‘ৰুক্মিণীহৰণ নাট’ত ৰুক্মিণীৰ চিঠি লৈ দ্বাৰকালৈ গমন কৰা ব্ৰাহ্মণজনৰ নাম কি?

(ঞ) ‘ৰুক্মিণীহৰণ নাট’ত কিমানটা গীত সন্নিৱিষ্ট কৰা হৈছে?

(ট) ‘নীলাম্বৰ’ নাটকত উল্লেখ থকা গৌড়ৰ বাদশ্বাহ্‌জনৰ নাম কি?

(ঠ) ‘নীলাম্বৰ’ নাটকত মুঠ কেইটা দৃশ্য আছে?

(ড) ‘আহ্বান’ নাটকৰ প্ৰথম সংলাপটি কমল নামৰ চৰিত্ৰটোৱে কৈছে। সংলাপটি কি?

(ঢ) “মোৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ পুৰস্কাৰ, যাক তুমি এদিন মোৰ গৰ্ভত দিছিলা, আৰু মাত্ৰ দুদিনমানৰ কাৰণে মোৰ কোলাত ল’বলৈ দিছিলা—” ‘আহ্বান’ নাটকৰ এই সংলাপটিত উল্লেখ থকা উপহাৰটি কি?

(ণ) ‘উৰুখা’ নাটকখন কোনজন পৰিচালকৰ দ্বাৰা প্ৰথম মঞ্চায়ন কৰা হৈছিল?

(ত) প্ৰাঞ্জলে এটা মূৰ্তি সাজিছিল—এজন মানুহ, পাঁচটা মূৰ। মূৰ্তিটোৰ নাম কি দিছিল?

(থ) মহাৰাজ নীলাম্বৰৰ অভিষেক উৎসৱলৈ ভূটানৰ কোনজন অধীশ্বৰে প্ৰীতিভাৱে সন্দেশ নিবেদন কৰিছিল?

(দ) “নামঘৰ—এক জাতীয় নাটশাল।” মন্তব্যটি কাৰ?

২। চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) বিষয়বস্তু অনুসৰি ওজাপালি অনুষ্ঠানক কি কি ভাগত ভাগ কৰিব পাৰি?

(খ) অংকীয়া ভাওনাত ব্যৱহাৰ হোৱা দুবিধ মুখাৰ নাম লিখা।

(গ) মুখাশিল্পৰ বাবে বিখ্যাত অসমৰ এখন সত্ৰৰ নাম আৰু সেই সত্ৰখন থকা জিলাখনৰ নাম লিখা।

(ঘ) পূৰ্বতে লোকনাট্যানুষ্ঠান আৰু অংকীয়া ভাওনাত পোহৰৰ বাবে ব্যৱহাৰ কৰা দুবিধ উপকৰণৰ নাম লিখা।

(ঙ) 'ৰুক্মিণীহৰণ নাট'ত প্ৰকাশ পোৱা দুবিধ ৰসৰ নাম লিখা।

(চ) 'ৰুক্মিণীহৰণ নাট'ৰ মূল কাহিনীভাগ গ্ৰহণ কৰা দুখন পুৰাণৰ নাম লিখা।

(ছ) কোনে, কাক মনোহৰৰ মাংস খুৱাইছিল?

(জ) পৌৰাণিক নাটকৰ দুটা বিশেষত্ব লিখা।

(ঝ) অংকীয়া ভাওনাৰ শিল্পীসকলৰ মুখত ঘহা দুবিধ পৰম্পৰাগত প্ৰসাধন সামগ্ৰীৰ নাম লিখা।

(ঞ) 'নীলাম্বৰ' নাটকত প্ৰকাশ পোৱা ঐতিহাসিক নাটকৰ দুটা বৈশিষ্ট্য লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অংকীয়া নাটৰ পৰিৱেশনত গায়ন-বায়নৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(খ) অংকীয়া নাটৰ আহাৰ্যৰ বিষয়ে এটি চমু টোকা লিখা।

(গ) নাটক পৰিৱেশনত মঞ্চৰ গুৰুত্ব সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(ঘ) Proscenium stage কেনেধৰণৰ হয়, লিখা।

(ঙ) গোৱালপৰীয়া লোকনাট্যানুষ্ঠান 'কুশানগান'ৰ বিষয়ে লিখা।

(চ) 'আহাৰ' নাটকত ৰাহুল নামৰ চৰিত্ৰটোৱে কেনেধৰণৰ পৰিৱেশত নিজ মাতৃৰ পৰিচয় লাভ কৰিছিল, বৰ্ণনা কৰা।

(ছ) 'নীলাম্বৰ' নাটকৰ নাটকীয় কলা-কৌশলত ছেক্সপীয়েৰৰ নাট্যকৌশলৰ প্ৰভাৱ কেনেদৰে পৰিছে, লিখা।

(জ) 'উৰুখা' নাটকৰ বনশ্ৰীৰ 'শৰীৰ আৰু মনত মেৰ খাই থকা অদৃশ্য বন্ধন' কেনেধৰণৰ?

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অসমীয়া লোকনাট্যানুষ্ঠানৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(খ) অংকীয়া নাটৰ ৰস-শীৰ্ষক এটি প্ৰব্ৰন্ধ যুগুত কৰা।

(গ) 'ৰুক্মিণীহৰণ নাট'ত ভক্তিৰস কেনেদৰে প্ৰকাশ পাইছে, সংলাপৰ উদ্ধৃতিসহ আলোচনা কৰা।

(ঘ) অংকীয়া নাটৰ ভাষাশৈলীৰ বিষয়ে ('ৰুক্মিণীহৰণ নাট'ৰ ভাষাশৈলীৰ আলমত) আলোচনা কৰা।

(ঙ) 'ৰুক্মিণীহৰণ নাট'ত শংকৰদেৱৰ মৌলিকতা ক'ত ক'ত, কেনেধৰণেৰে প্ৰকাশ পাইছে, লিখা।

(চ) "'নীলাম্বৰ' এখন প্ৰতিশোধমূলক আৰু বিয়োগাত্মক নাটক।" আলোচনা কৰা।

(ছ) 'নীলাম্বৰ' নাটকত ইতিহাস আৰু কল্পনাৰ সংমিশ্ৰণ কিদৰে ঘটিছে, দেখুওৱা।

(জ) 'আহাৰ' নাটকত সমাজৰ ফোপোলা স্বৰূপৰ প্ৰতিফলন কেনেদৰে ঘটিছে, লিখা।

(ঝ) "ছবিবোৰ আছে। কিতাপবোৰ, পাণ্ডুলিপিবোৰ আছে। কেন্‌ভাচ, তুলিকা, ৰং—চোৱাচোন প্ৰাঞ্জল চোৱা, পানীৰ ডোঙাত বিয়লিৰ জিলমিল ৰং।" উকখা নাটকৰ এই সংলাপটিক এটা নিদৰ্শনৰূপে লৈ নাটকখনৰ সংলাপৰ ইংগিতধৰ্মিতা, বুদ্ধিদীপ্ততা, তীৰ্যকতা, বক্ৰোক্তি ইত্যাদিৰ বিষয়ে আলোচনা কৰা।

(ঞ) "'উকখা' নাটকৰ কাহিনীভাগ বিষয়ৰ পৰা বিষয়ান্তৰলৈ বাগৰি ফুৰা।" মন্তব্যটোৰ যথাৰ্থতা প্ৰতিপন্ন কৰা।

★★★